Downloaded From :http://cbseportal.com/

Series JBB/C

SET-4

Code No. 15/C

Roll No.

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **8** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **13** questions.
- Please write down the Serial Number of the question in the answer-book before attempting it.
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* | *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* | *Maximum Marks : 80*

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 25 marks |
| SECTION C : Grammar | 20 marks |
| SECTION D : Literature/Text Books | 20 marks |



Downloaded From :http://cbseportal.com/ Courtesy : CBSE

Downloaded From : http://cbseportal.com/

## SECTION A

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

মানৱ জীৱনৰ ওপৰত পৰিৱেশৰ প্ৰভাৱ অতি নিবিড় । পৰ্বত-পাহাৰ, নদ-নদী-সাগৰ, বায়ুমণ্ডল, সূৰ্যৰ পোহৰ, গছ-গছনি, বিভিন্ন প্ৰজাতিৰ প্ৰাণী আদিক লৈয়ে গঢ়ি উঠিছে আমাৰ পৰিৱেশ । এই পৰিৱেশৰ মাজতেই মানুহ জন্মে, ডাঙৰ হয় আৰু জীয়াই থাকে । পৰিৱেশক দুটা ভাগত ভগাব পাৰিঃভৌতিক পৰিৱেশ আৰু জৈৱিক পৰিৱেশ । পৰ্বত-পাহাৰ, নদ-নদী, মৰুভূমি, হিমবাহ, আগ্নেয়গিৰি, ভূ-স্তৰ, বায়ুমণ্ডল ইত্যাদিৰে গঠিত হয় ভৌতিক পৰিৱেশ । আনহাতে জীৱজগতকলৈ গঠিত হয় জৈৱিক পৰিৱেশ । নানান প্ৰজাতিৰ জীৱ-জন্তু, গছ-গছনি আৰু মানুহ জৈৱিক পৰিৱেশৰ অন্তৰ্গত ।

প্ৰকৃতিৰ নিয়মেৰে ভৌতিক পৰিৱেশত সাধিত হয় পৰিৱৰ্তন । ক'ৰবাত সেউজ তৃণভূমি পৰিণত হয় মৰুভূমিত, আনহাতে শুকান মৰুভূমি পৰিণত হয় সাগৰত । যেনে ভূমধ্যসাগৰ, ক'ৰবাত আকৌ সাগৰৰ বুকু ভেদি গঢ়ি উঠে বিশাল পৰ্বত । বানপানী আৰু হিমবাহৰ ফলত ঘটে ভূমিক্ষয় তথা ভূমিকম্প, আগ্নেয়গিৰিৰ পৰা নিঃসৃত কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন মনোক্সাইড, নাইট্ৰোজেন অক্সাইড, গন্ধক আদিয়ে বায়ুমণ্ডল দূষিত কৰে । আকৌ প্ৰকৃতিৰ নিয়মানুসাৰেই পৃথিৱীৰ জলবায়ুত বিভিন্ন সময়ত পৰিৱৰ্তনে দেখা দিয়ে । তাৰ ফলতেই কোনো অঞ্চললৈ নামি আহে বৰফ যুগ । আনফালে আকৌ শীতল পৰিবেশো লাহে লাহে উষ্ণ পৰিৱেশলৈ পৰিণত হয় । এই ভৌতিক পৰিৱৰ্তনৰ প্ৰভাৱ জীৱজগতৰ ওপৰতো পৰে । ইয়াৰ ফলত জীৱজগততো কিছুমান পৰিৱৰ্তনে দেখা দিয়ে । আনহাতে জীৱ জগতে পৰিৱেশৰ ওপৰত চাপ সৃষ্টি কৰি ভৌতিক পৰিৱেশৰ পৰিৱৰ্তন ঘটায় ।

সভ্যতাৰ অগ্ৰগতিৰ লগে লগে মানুহে প্ৰাকৃতিক সম্পদক নিজৰ প্ৰয়োজনত ব্যৱহাৰ কৰিবলৈ ধৰিলে । ইন্ধন, আচবাব, খেতিপথাৰ সম্প্ৰসাৰণ আদিৰ প্ৰয়োজনত চলিবলৈ ধৰিলে নিৰ্বিচাৰ অৰণ্যহনন । সমান্তৰাল ভাৱে বাঢ়িল জনসংখ্যা । বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰো অভূতপূৰ্ব উন্নতি হ'ল । চহৰ-নগৰৰ সংখ্যা বাঢ়িল । কয়লা, নানান প্ৰকাৰ ধাতু, খাৰুৱা তেল উত্তোলনৰ কাম আৰম্ভ


Downloaded From : http://cbseportal.com/ Courtesy : CBSE

Downloaded From :http://cbseportal.com/

হ'ল । এইবোৰৰ সহায়ত গঢ়ি উঠিল নানান শিল্পদ্যোগ আৰু কলকাৰখানা । আৱিষ্কাৰ হ'ল বিবিধ যানবাহন । ইয়াৰ পৰিণতিত প্ৰাকৃতিক সম্পদ আৰু পৰিৱেশৰ ওচৰত চাপ বাঢ়িল । চহৰ, ঘৰ-বাৰী নিৰ্মাণ, খেতি পথাৰ সম্প্ৰসাৰণ আদিৰ নামত বনভূমি ধ্বংস কৰা হ'ল । কেৱল সেয়ে নহয়, খেতিপথাৰত অজৈৱ সাৰৰ ব্যাপক প্ৰয়োগ আৰু কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ স্বাস্থ্যৰ বাবে ক্ষতিকৰ হ'ল, মাটিৰ উবৰা শক্তিও কমি আহিবলৈ ধৰিলে । নিৰ্বিচাৰ অৰণ্যহনন আৰু কীটনাশক দ্ৰব্য ব্যৱহাৰৰ ফলত বহু গছ-গছনি, পশু-পক্ষী, কীট-পতংগ, মাছ, সাপ আদি বিলুপ্ত হৈ গ'ল । ফলত পৰিৱেশৰ ভাৰসাম্যও নষ্ট হ'ল । ভূমিস্খলন, বানপানী, খৰাং, ধুমুহা, ইত্যাদিৰ প্ৰকোপ বাঢ়িল । নিৰ্বিচাৰ অৰণ্যহনন, কল-কাৰখানা আৰু যান-বাহন বৃদ্ধি, পাৰমাণৱিক বিশ্লেষণ ইত্যাদিৰ ফলত বায়ুমণ্ডলৰ অক্সিজেনৰ পৰিমাণ কমিছে । আনহাতে ব্যাপক হাৰত কাৰ্বন-ডাই-অক্সাইড আৰু আন বিষাক্ত গেছৰ মাত্ৰা বাঢ়িছে । বায়ুমণ্ডলৰ অ'জন স্তৰৰো ক্ষয় আৰম্ভ হৈছে । ফলত সূৰ্যৰ ক্ষতিকাৰক অতি বেঙুনীয়া ৰশ্মি পৃথিৱীত প্ৰৱেশ কৰিছে । পৰিণতিত পৃথিৱীৰ জলবায়ু ক্ৰমশঃ উষ্ণ হৈ আহিছে । কল-কাৰখানাৰ পৰা নিৰ্গত বিষাক্ত ৰাসায়নিক পদাৰ্থ আৰু চহৰৰ পয়ঃপ্ৰণালীৰ লেতেৰা পানী আৰু আৱৰ্জনাই দূষিত কৰিছে নদীৰ পানী । পৰিণতিত আজি বিধ্বস্তপ্ৰায় মানৱ জীৱন, বিপন্ন মানৱ সভ্যতা । মানুহ আক্ৰান্ত হৈছে নানান কঠিনৰোগত । মানুহৰ মনৰ সুকুমাৰ বৃত্তিবোৰ নষ্ট হৈ গৈছে, মানুহ খিংখিঙিয়া উগ্ৰ মেজাজী হৈ পৰিছে ।

পৰিৱেশ সংক্ৰান্তীয় সমস্যাই সমগ্ৰ বিশ্বতে ভয়াবহ ৰূপ ধাৰণ কৰাত বিশ্ববাসী আজি পৰিৱেশ সম্পৰ্কে সচেতন হৈছে । ১৯৭২ চনৰ ৫ জুনত ছুইডেনৰ ৰাজধানী ষ্টকহমত পৃথিৱীৰ বিভিন্ন দেশৰ প্ৰতিনিধি পৰিৱেশ সংক্ৰান্তীয় সমস্যাৰ সমাধানৰ পথ বিচাৰি এক সভাত মিলিত হৈছিল । তেতিয়াৰে পৰা ৫ জুনৰ দিনটো সমগ্ৰ বিশ্বতে “বিশ্ব পৰিৱেশ দিৱস” হিচাপে পালন কৰা হৈ আহিছে । পৰিৱেশ দিৱসত আমি বিশ্ববাসী বিশ্বৰ পৰিৱেশ ৰক্ষাৰ বাবে সমবেত হৈছো । — এই বাণী সাৰ্থক কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী পালন কৰা হয় । পৰিৱেশজনিত সমস্যা কোনো নিৰ্দিষ্ট ভূ-খণ্ডৰ মাজত আৱদ্ধ নহয় । সেয়ে সমগ্ৰ বিশ্ববাসীয়ে একগোট হৈ এই সমস্যাৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব লাগিব ।


Downloaded From :http://cbseportal.com/ Courtesy : CBSE

Downloaded From : http://cbseportal.com/

(ক) পৰিৱেশ বুলিলে কি বুজা ? *2*

(খ) পৰিৱেশক কেইটা ভাগত ভাগ কৰিব পাৰি – বৰ্ণনা কৰা । *2*

(গ) আগ্নেয়গিৰিৰ উদ্‌গীৰনে বায়ুমণ্ডল কিদৰে দূষিত কৰে ? *2*

(ঘ) বায়ুমণ্ডলত অক্সিজেনৰ পৰিমাণ কমি যোৱাৰ কাৰণ কি ? *2*

(ঙ) নদীৰ পানী দূষিত হোৱাৰ কাৰণ কি ? *2*

(চ) চমুটোকা লিখা – "বিশ্ব পৰিৱেশ দিৱস" *2*

(ছ) সন্ধি ভাঙা – শিল্পদ্যোগ *1*

(জ) উপসৰ্গ বাচি উলিয়াই লিখা – পৰিমাণ *1*

(ঝ) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা – ক্ষয় *1*

## SECTION B

**2.** (ক) তলত দিয়া সংকেত বাক্যবোৰৰ আলমত গল্প লিখি, তাৰ শিৰোনাম দিয়াৰ লগতে গল্পটোৰ পৰা কি নীতিশিক্ষা পালা লিখা – *1+3+1=5*

দুখীয়া খৰিকটীয়া _________ খৰি কাটি থাকোতে কুঠাৰখন পানীত পৰিল _________ কান্দিবলৈ ধৰিলে _________ জল দেৱতাই ৰূপৰ কুঠাৰ এখন আনি দিলে _________ খৰিকটীয়াই নল'লে _________ জলদেৱতাই সোণৰ কুঠাৰ এখন দেখুৱালে _________ খৰিকটীয়াই নল'লে _________ খৰিকটীয়াৰ কুঠাৰখন আনি দিলে _________ খৰিকটীয়াই সেই খনহে ল'লে _________ এনে কাৰ্য দেখি জলদেৱতা সন্তুষ্ট হ'ল _________

**নাইবা**

(খ) তলত দিয়া যিকোনো ***এটা*** বিষয় লৈ এখন ৰচনা লিখা – *5*

(i) বহাগ বিহু

(ii) অধ্যৱসায়

**3.** তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা "তৰ্ক প্ৰতিযোগিতা" খনৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবা) *5*



Downloaded From : http://cbseportal.com/ Courtesy : CBSE

Downloaded From :http://cbseportal.com/

**4.** তলত দিয়া যিকোনো ***এটা*** ফকৰা-যোজনাৰ ভাবাৰ্থ বুজাই লিখা – *5*

(ক) ৰাইজে নখ জোকাৰিলে নৈ বয়

(খ) হৰিণাৰ মাংসই বৈৰী

**5.** তুমি ভ্ৰমণ কৰা বুৰঞ্জীমূলক ঠাই এখনৰ বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা) *5*

**6.** তলত দিয়া বিশেষ অৰ্থত ব্যৱহাৰ হোৱা শব্দবোৰেৰে বাক্যৰচনা কৰা – (যিকোনো ***পাঁচটা***) *1×5=5*

(ক) নলেগলে লগা

(খ) ডলাৰ বগৰী

(গ) যুগমীয়া

(ঘ) নপতা ফুকন

(ঙ) দীঘল দি পৰা

(চ) খোদৰ পচলা

## SECTION C

**7.** (ক) উপসৰ্গ বাচি উলিয়াই লিখা – *1+1=2*

(i) নিদাৰুণ

(ii) দুৰ্নীতি

(খ) (i) সিহে যাব – বাক্যটিত কি অনুসৰ্গ ব্যৱহাৰ হৈছে ? *1*

(ii) "দেই" অনুসৰ্গ ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । *1*

(গ) সন্ধি যোৰা লগোৱা – (যিকোনো ***দুটা***) *1×2=2*

(i) সৎ+জন

(ii) তৎ+উপৰি

(iii) আশীঃ+বাদ


Downloaded From :http://cbseportal.com/ Courtesy : CBSE

Downloaded From :http://cbseportal.com/

(ঘ) সমাৰ্থক শব্দ লিখা – (*এটাকৈ*) *2×1=2*

(i) চকু

(ii) পদুম

(ঙ) লিংগ পৰিবৰ্তন কৰা – (যিকোনো ***দুটাৰ***) *1×2=2*

(i) মুনিহ

(ii) ৰজা

(iii) ডেকা

(চ) বাক্য পৰিবৰ্তন কৰা – *1×2=2*

(i) পৰিশ্ৰম কৰিলে উন্নতি কৰিব পাৰিবা । (জটিল বাক্যলৈ)

(ii) যদি মনোযোগেৰে পঢ়া, তেনেহলে ভাল ফল দেখুৱাবা । (সৰল বাক্যলৈ)

(ছ) এটা শব্দত প্ৰকাশ কৰা – *1×2=2*

(i) যিজন কৰ্মত বীৰৰ তুল্য –

(ii) যি কথাৰ অৰ্থ নাই –

(জ) বিপৰীতাৰ্থক শব্দ লিখা – *1×2=2*

(i) ঘৰচীয়া

(ii) চহকী

(ঝ) বাক্য শুদ্ধ কৰা – *1×2=2*

(i) নদীত বতাহ আহিছে, এতিয়া নাও মেলি দিয়া বিপদজনক ।

(ii) আজি দিনটো বৰ জহ পৰিছে ।

(ঞ) শুদ্ধ উত্তৰটা লিখা – (যিকোনো ***দুটা***) *1×2=2*

(i) মজলীয়া – মজ+অলীয়া/মাজ+অলীয়া/মজল+ঈয়া

(ii) ঢুলীয়া – ঢুল+ঈয়া/ঢোল+ঈয়া/ঢুলী+আ

(iii) পথৰুৱা – পথ+অৰুৱা/পথৰু+আ/পথাৰ+উৱা


Downloaded From :http://cbseportal.com/ Courtesy : CBSE

Downloaded From :http://cbseportal.com/

## SECTION D

### (গদ্যভাগ)

**8.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *4×1=4*

(ক) ব্যাখ্যা কৰা – পঢ়াই, পঢ়ে ৰোৱে পাণ

এই তিনিয়ে নিচিন্তে আন ।।

(খ) ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু – কথাষাৰ বুজাই লিখা ।

(গ) জাগ্ৰছ পৰ্বতমালাৰ বিষয়ে তোমাৰ পাঠ্যপুথিৰ সহায়ত লিখা ।

**9.** চমু উত্তৰ লিখা – (যিকোনো ***এটাৰ***) *2×1=2*

(ক) লিখকৰ মতে দেশৰ প্ৰকৃত উন্নতি কৰা মানে কিহৰ উন্নতি কৰা বুজায় ?

(খ) চমু টোকা লিখা – অজন্তা

(গ) বেহেষ্ট-ই-জহৰা কি ?

**10.** অতি চমু উত্তৰ লিখা – *1×4=4*

(ক) আবুজাৰ কোন ?

(খ) ইছলামীয় ভাস্কৰ্যৰ মূল সম্পদ কি ?

(গ) গান্ধীজীয়ে নতুন যুগৰ ভাৰতীয় সংস্কৃতি কেনেকুৱা হ'ব লাগে বুলি মত প্ৰকাশ কৰিছিল ?

(ঘ) ডিম্বেশ্বৰ নেওগে ৰচনা কৰা এখন সমালোচনাত্মক গ্ৰন্থৰ নাম লিখা ।

### (পদ্যভাগ)

**11.** অতি চমু উত্তৰ লিখা – *1×4=4*

(ক) হেজাৰী ঘোষা বুলি কাক কোৱা হয় ?

(খ) মাধৱদেৱৰ ভণিতা থকা মুঠ কেইটা বৰগীত পোৱা গৈছে ?

(গ) শব্দ-অৰ্থ লিখা-তিৰ্‌বেণী

(ঘ) মানুহজনৰ ঘৰৰ দাঁতিত কিহে নমস্কাৰৰ ভংগীত আছিল ?



Downloaded From :http://cbseportal.com/ Courtesy : CBSE

Downloaded From :http://cbseportal.com/

**12.** চমু উত্তৰ লিখা – (যিকোনো ***এটা***) *2×1=2*

(ক) “দৃশ্যান্তৰ” কবিতাৰ মাজেৰে কবিয়ে কি প্ৰতিফলিত কৰিছে ?

(খ) চমু টোকা লিখা – জিকিৰ

(গ) বৰগীতত কি কি ৰসৰ সমাবেশ ঘটিছে ?

**13.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *4×1=4*

(ক) “বৰগীত” টিৰ মূলভাৱ লিখা ।

(খ) প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা –

দেও মাৰি পাৰ হৈ জীৱই আছে চাই ।
চোৱা চোৱা জীৱসকল ভেলৰে বিলাই ।।

(গ) ব্যাখ্যা কৰা – মৰিলে দাহ কৰিবলৈও এজন মানুহ নাই ।


Downloaded From :http://cbseportal.com/ Courtesy : CBSE